# প্ৰকৃত শান্তি

## ইছলামী শিক্ষাৰ আলোকত

হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ)
য়ে ২১ আগষ্ট ২০২২ চনত জাৰ্মানৰ বাৰ্ষিক
জলছাত প্ৰদান কৰা বক্তব্য



# প্ৰকৃত শান্তি

## ইছলামী শিক্ষাৰ আলোকত

হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ)

য়ে ২১ আগষ্ট ২০২২ চনত জাৰ্মানৰ বাৰ্ষিক

জলছাত প্ৰদান কৰা বক্তব্য

# প্ৰকৃত শান্তি ইছলামী শিক্ষাৰ আলোকত


| | |
|---|---|
| নাম কিতাপ | প্ৰকৃত শান্তি ইছলামী শিক্ষাৰ আলোকত |
| মূল কিতাপ | হাকিকি আমন ইছলামী তালিমাত কি ৰোশ্নি মে |
| লিখক | হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ) |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| প্ৰকাশক | নশ্বৰ ও ইশায়ত কাদিয়ান |
| প্ৰথম প্ৰকাশ | ২০২৪, কপি ৫০০ |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ, ১৪৩৫১৬ (পাঞ্জাৰ) |

| | |
|---|---|
| Name Book | Pakrito Shanti Islami Shikshar Alokat |
| Original Book | Haqeeqi Aman Islami Talimat ki Roshni me |
| Lectured by | Hazrat Mirza Masroor Ahmad Khalifatul Masih V |
| Translated by | Mozibar Rahman Muballig (Incharge Assamese Desk) |
| Publisher | Nashr-O-Ishaat Qadian |
| First Published | 2024, Copies 500 |
| Printed at | Fazle Umar Printing Press Qadian,Dist.Gurdaspur 143516 (Punjab) |

# প্ৰকাশকৰ কথা

**হাকিকি আমন ইছলামী তালিমাত কি ৰোশ্নি মে** হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ)ৰ পুস্তকখন উৰ্দুৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে); আৰু ৰিভিউ কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ইনচাৰ্জ, মাননীয় শ্বাহজাহান আলি চাহাব মুৰাল্লিম ও ছেক্ৰেটাৰী ৰিভিউ কমিটি অসম আৰু মাননীয়া ৰেজিয়া খাতুন B.Sc য়ে। পুস্তকখন প্ৰণয়ন কৰাত সহায়-সহযোগ আগবঢ়োৱা সকলক আল্লাহ তা'লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**প্ৰকাশক**

نَحْمَدُهٗ وَ نُصَلِّیْ عَلٰی رَسُوْلِهِ الْکَرِیْمِ        بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ

প্ৰকৃত শান্তি সেই সময়লৈকে প্ৰতিষ্ঠিত হ'ব নোৱাৰে যেতিয়ালৈকে খোদাৰ মহান অস্তিত্বক গ্ৰহণ কৰি লোৱা নহয়.. এই আকিদা যে আল্লাহ তা'লা শান্তি প্ৰদান কৰোঁতা; এয়া কেৱল ইছলামে আঁহজৰত (ছাঃ)ৰ মাধ্যমে উত্থাপন কৰিছে।

হে ইউৰোপ ! তুমিও শান্তিত নাই। হে এছিয়া ! তুমিও সুৰক্ষিত নহয়; আৰু হে মৰুবাসীৰ অধিবাসী সকল ! কোনো কৃত্ৰিম খোদাই তোমালোকৰ সহায় নকৰিব। মই চহৰ সমূহ পতন হোৱা আৰু জনগণৰ বিনাশ দেখিবলৈ পাই আছো (হজৰত মছীহ মাওউদ আঃ)

এনে অৱস্থাত যদি কোনো আলোৰ আৰু শান্তিৰ আকাংখা আছে সেইজন এটাই অস্তিত্ব যাক আল্লাহ তা'লাই শান্তি আৰু প্ৰশান্তিৰ শিক্ষাৰ সৈতে প্ৰেৰণ কৰিছিল; সেইজন হ'ল শান্তিৰ বাদশাহ, যিজন গোটেই মানৱৰ মাজত অধিক প্ৰিয়; যাৰ ওপৰত আল্লাহ তা'লাৰ শেষ আৰু পৰিপূৰ্ণ চৰিয়ত অৱতীৰ্ণ হৈছে; যাৰ শিক্ষা প্ৰিয় আৰু মনোহৰ।

প্ৰকৃত শান্তি তেতিয়াই প্ৰতিষ্ঠিত হ'ব পাৰিব, যেতিয়া নিজস্বগত, বংশগত, জাতিয়তা আৰু ৰাষ্ট্ৰীয়তাৰ প্ৰাধান্যতাৰ পৰা আঁতৰ হৈ ঐশ্বৰিক কেন্দ্ৰবিন্দু প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰয়াস কৰিব। এয়া তেতিয়া সম্ভৱ হ'ব পাৰিব যেতিয়া মানুহে এই কথা বুজি পোৱাৰ আৰু চিনাক্তকৰণৰ সামৰ্থ্য শক্তি নিজৰ ভিতৰত সৃষ্টি কৰি ল'ব যে মোৰ ওপৰত এটা অস্তিত্ব আছে , যিজনাই কেৱল মোৰ ওপৰতেই শান্তি নিবিচাৰে, বৰং গোটেই বিশ্বৰ বাবে শান্তি

বিচাৰে।

আল্লাহ তা'লাৰ নিজৰ জেউতি হজৰত মহম্মদ (ছাঃ), আৰু কোৰআন কৰিম, সমূহ জ্ঞানৰ কেন্দ্ৰ বিন্দু হয়। আল্লাহ তা'লাই হিদায়তৰ বাবে জ্যোতি আৰু শান্তিৰ পয়গাম দিওঁতা জনক প্ৰেৰণ কৰি মানৱৰ ওপৰত অনুগ্ৰহ কৰিছে। যদি মানুহে ইয়াৰ পৰা উপকৃত নহয় আৰু নিজৰে অনিষ্ট সাধন কৰাৰ বাবে নিজৰ গৌৰৱৰ চিকাৰত নিপতিত থাকে, তেন্তে তেওঁতকৈ দুৰ্ভগীয়া আৰু কোনে হ'ব পাৰে? আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ সৈতে সম্বন্ধ স্থাপন কৰা অতি আৱশ্যক; তেতিয়াই সঠিক জ্ঞান আহৰণ কৰিব পাৰিব।

আজি এই কাম হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতৰ অধীনস্থ কৰা হৈছে। যদি আমি ঘৰুৱা পৰ্যায়ৰ পৰা লৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিজৰ ভূমিকা পালন নকৰো তেন্তে আমি শান্তিৰ জামিন বুলি সাব্যস্ত হ'ব নোৱাৰিম।

আমাৰ শত্ৰু সকলে যি বিচাৰে, ভাৱক আৰু কৰক। আমাৰ কাম এয়া যে যদি আমাৰ আঁহজৰত (ছাঃ)ৰ সৈতে প্ৰকৃত ভাল পোৱা থাকে তেন্তে আঁহজৰত (ছাঃ)ৰ শিক্ষা কাৰ্য্যত পৰিণত কৰি জগতত বিস্তাৰ কৰিব লাগিব। জগতবাসীক ক'ব লাগিব যে আজি পৃথিৱীত শান্তি প্ৰতিষ্ঠিত কৰাৰ এয়াই এটা উপায়। গতিকে আহঁক! শান্তিৰ শিক্ষা দিওঁতা এই মহান অস্তিত্বৰ সৈতে সম্পৰ্ক স্থাপন কৰি পৃথিৱীত আৰু আখিৰতত শান্তিৰ আহিলা যোগাৰ কৰো।

শান্তি তেতিয়ালৈকে প্ৰতিষ্ঠিত হ'ব নোৱাৰে যেতিয়ালৈকে লোক সকলৰ মাজত প্ৰকৃত ভ্ৰাতৃত্য বন্ধন সৃষ্টি নহয়, আৰু প্ৰকৃত ভ্ৰাতৃত্য বন্ধন এক খোদাক স্বীকাৰ কৰা বিহনে সৃষ্টি হ'ব নোৱাৰে।

আঁহজৰত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হোৱা পৰিপূৰ্ণ চৰিয়তৰ বৰ্ণিত শিক্ষাৰ আলোকত প্ৰকৃত আৰু বিশ্ব শান্তি প্ৰতিষ্ঠিত কৰা

সম্বন্ধে ঈমান উদ্দীপক ঘটনাৱলীৰ বৰ্ণনা ঃ-

জামাতৰ সদস্য বৃন্দক নিজৰ ভূমিকা ইছলামী শিক্ষা অনুযায়ী পালন কৰি পৃথিৱীত উত্তম আদৰ্শ স্থাপন কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ।

## ২০২২ চনত জাৰ্মানত জামাত আহমদীয়াৰ বাৰ্ষিক জলছাত ছৈয়দিনা হজৰত আমিৰুল মোমিনিন হজৰত মিৰ্জা মছৰুৰ আহমদ পঞ্চম খলিফাৰ সমাপন ভাষণৰ ঈমান উদ্দীপক ঘটনা সমূহৰ বৰ্ণনা

## (২১ আগষ্ট ২০২২ চনত ৰবিবাৰ দিনা এউৱানে মছৰুৰ ইছলামাবাদ টিলফোৰ্ড ইউ,কেত প্ৰদান কৰা বক্তব্য)

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

## জামাত আহমদীয়া জাৰ্মানক বাৰ্ষিক জলছা অনুষ্ঠিত কৰাৰ সৌভাগ্য দান কৰা হৈছে।

যোৱা বছৰৰ তুলনাত এই বছৰ বিশাল ব্যৱস্থাৰ সৈতে জলছা অনুষ্ঠিত কৰা হৈ আছে। আগতে কভিড মহামাৰীয়ে জগতখনক অস্থিৰতা কৰি তুলিছিল; এফালে কভিড মহামাৰীৰ অন্ত পৰাই নাই আনফালে পৃথিৱীত ভীষণ যুদ্ধ-বিগ্ৰহৰ ৰূপ ধাৰণ কৰিছে ; পৃথিৱীৰ কোনো অংশও এই ধ্বংসলীলাৰ পৰা সুৰক্ষিত বুলি দেখিবলৈ পোৱা নাই,**যেতিয়ালৈকে এক খোদাৰ ফালে ওভতি নাহে ; তেতিয়ালৈকে ধ্বংসৰ গ্ৰাসৰ পৰা ৰক্ষা পাব নোৱাৰে।** প্ৰথমে ইউৰোপ, পশ্চিমীয়া দেশ সমূহ আৰু উন্নতি কৰা দেশবোৰে এই ধাৰণাত বহি আছিল যে যি যুদ্ধৰ ৰূপ ধাৰণ কৰি আছে, আৰু

যি বিশৃংখলা সৃষ্টি কৰা এলেকা আৰু যি দেশবোৰত ধ্বংসৰ অৱস্থা সৃষ্টি হৈছে বা হৈ আছে সেই সমূহ দেশ সহস্ৰ মাইল দূৰত্বত অৱস্থিত যাৰ কাৰণে আমি সুৰক্ষিত আছো। পৰিস্থিতি বেয়া,বম বিস্ফোৰণ হৈ আছে, লোক সকল নিহত হৈ আছে, মহিলা সকলে বিধৱা হৈ আছে,শিশুবিলাক এতীম হৈ আছে,লোক সকল বিকলাংগ হৈ আছে, সেয়া এছিয়াত আৰু পূৱ ফালৰ মজলীয়া আৰু দৰিদ্ৰ দেশবোৰত হৈ আছে; আমাৰ কি প্ৰাৰ্থক্য পৰে, উন্নত কৰা দেশবোৰে সেই সমূহ দেশবোৰত যুদ্ধ সামগ্ৰী বস্তুবোৰ দি আছে যাতে উন্নত দেশ সমূহে যুদ্ধ সামগ্ৰীৰ বস্তুবোৰ বিক্ৰি কৰিব পাৰে। সেই দেশ সমূহৰ ক্ষতি হয় যদি হওঁক আমাৰ কি প্ৰাৰ্থক্য পৰে। কিন্তু সিহঁতে পাহৰি গৈছে এনে অৱস্থা সিহঁতৰ ওপৰতো আহিব পাৰে। সিহঁতে উন্নতি কৰাৰ কাৰণে বিবেক-বুদ্ধি হেৰাই পেলাইছে আৰু চকু অন্ধ হৈ পৰিছে। তাৰ পিছত

**গোটেই জগতে দৃষ্টিগোচৰ হৈ আছে যে সেয়াই সংঘটিত হ'ল যাৰ ভয় আছিল; ইউৰোপতও যুদ্ধৰ ৰূপ ধাৰণ কৰিছে।**

ইউকেৰেণৰ ফালে ৰাছিয়া আৰু নাটো দেশ সমূহ মুখামুখী হৈ থিয় দি আছে। আল্লাহ তা'লাই ভালদৰে অৱগত যে অৱশেষত কোনে শ্ৰেষ্ঠত্ব লাভ কৰিব বা উভয় পক্ষৰ কিমান ক্ষতিগ্ৰস্ত হ'ব; কিন্তু এয়া নিশ্চিত যে তাৰ ফলাফল অতি ভয়ানক হ'ব। এতিয়াও যদি বিবেক-বুদ্ধিৰে কাম লোৱা নহয় তেন্তে ভয়ংকৰ ধ্বংসলীলাৰ সন্মুখীন হ'ব লাগিব।

আকৌ আমি দেখিবলৈ পাওঁ যে এতিয়া তায়বানও থিয় হৈ গৈছে; এতিয়া স্পষ্ট ভাৱে প্ৰকাশ পাইছে যে গোটেই পৃথিৱী যুদ্ধৰ বাবে প্ৰস্তুত হৈ আছে। এই যুগত আল্লাহৰ প্ৰেৰিত মহাপুৰুষে বৰ প্ৰবলতাৰে সৈতে সতৰ্ক কৰিছে যে,

হে ইউৰোপ! তুমিও শান্তিত নাই আৰু হে এছিয়া! তুমিও সুৰক্ষিত নহয়; আৰু হে আৰবৰ অধিবাসী সকল ! কোনো কৃত্ৰিম খোদাই তোমালোকৰ সহায় নকৰিব। মই চহৰবোৰৰ পতন দেখিবলৈ পাই আছো আৰু জনবসতী শূন্য দেখিবলৈ পাই আছো। ( ৰূহানি খাজাইন খণ্ড ২২, হাকিকাতুল ওহী, পৃঃ ২৬৯,)

এয়াই সেই বাক্য আৰু সতৰ্কবাণী আছিল যাৰ সম্বন্ধে খলিফা সকলে মাজে সময়ে মনোযোগ আকৰ্ষণ কৰি থাকিছে। মইয়ো এবছৰ ধৰি এইফালে মনোযোগ আকৰ্ষণ কৰি আছো আৰু এয়া কৈ আছো যে নিজৰ সৃষ্টিকৰ্তা এক খোদাৰ ফালে যদি ওভতি নাযায় তেন্তে ধ্বংস নিশ্চিত।

দীৰ্ঘ কাল ধৰি কৈ আছো যে সংগঠন তৈয়াৰ হৈ আছে, ইয়াৰ শেষ পৰিণতি পৰস্পৰে পৰস্পৰৰ ধ্বংস হ'ব। সেই কাৰণে সাৱধান হৈ যোৱা, অধিক লোক সকলে এই কথাবোৰ শুনি থাকে,শুনিছে আৰু এতিয়াও শুনি আছে আৰু কৈ থাকে যে পৰিস্থিতি বৰ বেয়া ৰূপ ধাৰণ কৰি আছে। ঠিক আছে কিছু কাললৈকে পৰিস্থিতি বেয়া কিন্তু এনে পৰিস্থিতি নহয়, যিদৰে তোমালোকে ভীতিগ্ৰস্ত আৰু হতাশৰ অৱস্থাৰ মেপ টানি আছা। মোক লোক সকলে কয় আৰু আমাৰ জামাতৰ লোক সকলেও কয়, **কিন্তু সেই সকল লোক যি সকলে এই কথাবোৰ মৃদু দৃষ্টিৰে চাইছিল সিহঁতে নিজেই ক'ব ধৰিলে যে পৰিস্থিতি বেয়াৰ পৰা ভয়াবহ অৱস্থালৈ ৰূপ ধাৰণ কৰি আছে আৰু যদি এনে অৱস্থাই অৱশিষ্ট থাকে তেনে ক্ষেত্ৰত ভয়ানক যুদ্ধৰ ৰূপ ধাৰণ কৰিব পাৰে।**

এতিয়া এই কথা সমূহ সিহঁতে বিবেক আৰু অভিজ্ঞতাৰ দৃষ্টিৰে কৈ আছে ; তথাপি শান্তি প্ৰতিষ্ঠিত কৰাৰ কোনো উপায়

সিহঁতৰ মাজত নাই; কাৰণ শান্তি প্ৰতিষ্ঠিত কৰাৰ ফালে সিহঁতৰ মাজত কোনো মনোযোগ আকৰ্ষণ সৃষ্টি হোৱা নাই, পাৰ্থিৱ জগতত লিপ্ত হৈ ধৰ্মক পাহৰি গৈছে।

**য'ত শান্তিৰ উপায় আছে সেইফালে অমুছলিম শাসন আহিব নিবিচাৰে, দুৰ্ভাগ্যপূৰ্ণ মুছলমান সকলেও শাসনলৈ আহিব নিবিচাৰে।**

এতিয়া কিছুমান বিশ্লেষণকাৰীয়ে এয়া কৈ আছে যে যুদ্ধ সংঘটিত হোৱা অৱস্থাত যি ধ্বংস হ'ব, সেয়া এনে ভয়ানক হ'ব যে ধাৰণা অনুযায়ী যুদ্ধ চলাকালীন অৱস্থাত আৰু তাৰ পিছত দুই বছৰলৈকে পাৰমাণৱিক বোমা আৰু অস্ত্ৰবোৰ ব্যৱহাৰ কৰাৰ কাৰণে পৃথিৱীৰ ৬৬ শতাংশ জনবসতি নিঃশেষ হৈ যাব। এনেকুৱা ধ্বংস আৰু বিনাশ ঘটিব, যাৰ ধাৰণাও কোনোবাই কৰিব নোৱাৰে ; এজন সাধাৰণ ব্যক্তিয়ে এই বিষয়ে ভাৱিবও নোৱাৰে। অতি ভয়ানক অৱস্থা হ'ব।

**এনে অৱস্থাত যদি কোনোবাই জ্যোতিৰ প্ৰত্যাশা ৰাখে আৰু শান্তিৰ জামিন হয় সেয়া কেৱল এটাই অস্তিত্ব যাক আল্লাহ তা'লাই শান্তিৰ শিক্ষাৰ সৈতে পৃথিৱীত প্ৰেৰণ কৰিছিল যিজন শান্তিৰ বাদশাহ হয়। যিজন আল্লাহ তা'লাৰ দৃষ্টিত গোটেই মানৱৰ মাজত অধিক প্ৰিয়। যাৰ ওপৰত আল্লাহ তা'লাই শেষ আৰু পৰিপূৰ্ণ চৰিয়ত অৱতীৰ্ণ কৰিছে যাৰ শিক্ষা অতি প্ৰিয় আৰু মনোহৰ।**

যিজনে খোদা তা'লাৰ সৈতে সম্পৰ্ক স্থাপন কৰি আৰু নিজৰ ওপৰত অৱতীৰ্ণ হোৱা শিক্ষাক পৃথিৱীত বিস্তাৰ লাভ কৰি আৰু পৃথিৱীক ধ্বংসৰ গ্ৰাসৰ পৰা ৰক্ষা কৰাৰ উপায় আৰু তাৰ বাবে বৰ বেদনা অনুভৱ কৰি নিজৰ জীৱনক বোজাহীন কৰি লৈছিল।

তেখেতৰ ব্যাকুলতা সেই শীৰ্ষ স্থানলৈ গৈ পাইছিল যে তেখেতে কান্দি কান্দি খোদাৰ চৰণত দোৱা কৰিছে, তেতিয়া খোদা তা'লাই তেখেত (ছাঃ)ক কৈছে যে

لَعَلَّكَ بَاخِعٌ نَّفْسَكَ اَلَّا يَكُوْنُوْا مُؤْمِنِيْنَ۝ (26:4)

অৰ্থ ঃ- তুমি নিজৰ প্ৰাণ এই কাৰণেই ধ্বংস কৰি দিবা যে সিহঁতে বিশ্বাস স্থাপন নকৰে। (চুৰা আশ্বশ্বুৰা আয়াত ৪)

এইজন সেই অস্তিত্ব যাৰ হৃদয়ত মানৱৰ প্ৰতি বেদনা সৃষ্টি হৈছিল যে মানুহে যেন নিজৰ সৃষ্টিকৰ্তাৰ ফালে ওভতি যায় আৰু ধ্বংসৰ পৰা বাচি যায়; যাৰ ফলস্বৰূপ পাৰ্থিৱ জগতেই ৰক্ষা পাব আৰু পৰকালতেও ৰক্ষা পাব; এনে ঐক্যপূৰ্ণ শিক্ষা তেখেত (ছাঃ)য়ে প্ৰদান কৰিলে যে আন কোনো শিক্ষাই ইয়াৰ সৈতে তুলনা কৰিব পৰা নাযায়। এনেকুৱা শান্তিমূলক শিক্ষা যি বাস্তৱতে খোদা তা'লাই প্ৰদান কৰিছিল। কিন্তু পৰিতাপ! মুছলমান সকলে এই শিক্ষাক পাহৰি গ'ল; কেৱল ঈমানৰ বাহ্যিক ধ্বনি লগাই পৰস্পৰে পৰস্পৰৰ প্ৰতি তেজৰ পিপাসা হৈ গ'ল আৰু ইয়াৰ বাবে অইনৰ পৰা সহায়ো বিচাৰিলে।

কলিমা কওঁতা সকলক ধৰ্মৰ বিৰোধীতা কৰা সকলৰ সহায় লৈ হত্যা কৰি আছে, ইয়াতকৈ অধিক দুৰ্ভাগ্যপূৰ্ণ মুছলমান সকলৰ বাবে আৰু কি হ'ব পাৰে? এনে সুন্দৰ শিক্ষা আৰু এনে সহানুভূতিশীল ৰছুলৰ অনুসৰণৰ দাবীদাৰ হোৱা সত্বেও আল্লাহ তা'লাৰ ক্ৰোধৰ অধীনস্থ হৈ আছে; পৃথিৱীত শান্তি বিস্তাৰ কৰাৰ পৰিৱৰ্তে বদনাম বিস্তাৰ লাভ কৰাৰ ক্ষেত্ৰত খ্যাতি লাভ কৰি আছে। এই সমূহ এই কাৰণেই হৈ আছে যে আল্লাহ তা'লাই এই যুগত শান্তি প্ৰতিষ্ঠাকাৰী বাদশাহ আৰু সেইজনাৰ অতি প্ৰিয় দাসক শান্তি আৰু সহানুভূতিৰ শিক্ষা বিস্তাৰ লাভ কৰাৰ কাৰণে প্ৰেৰণ কৰিছে

তেখেতৰ কথাবোৰ শ্ৰৱণ কৰিব নিবিচাৰে। কেৱল কথা শ্ৰৱণ কৰিবই নিবিচাৰে, বৰং সেই সীমা অতিক্ৰম কৰি গৈছে যে তেখেতৰ ওপৰত আৰু তেখেতৰ অনুসাৰী সকলক কুফৰী ফতোৱা আৰোপিত কৰি আৰু সিহঁতক হত্যা কৰাটোক ইছলামৰ সেৱা আৰু খাতামুল আম্বিয়া হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি ভাল পোৱা বুলি গণ্য কৰি আছে। আহমদী সকলৰ সৈতে ধেমালি কৰাটো সিহঁতে ছোৱাব বুলি ভাৱে। এনেকুৱা লোক সকলে কেনেকৈ ইছলামৰ শান্তিপূৰ্ণ শিক্ষা পৃথিৱীত বিস্তাৰ লাভ কৰিব পাৰে?

**কেতিয়া সিহঁতে বিবেক বুদ্ধিৰে কাম ল'ব? সিহঁতৰ আলিম উলামা সকলে দুষ্ট হোৱাৰ পৰিৱৰ্তে বিবেক-বুদ্ধিৰে কাম কৰক, যাতে এক উম্মত হৈ হজৰত ৰছুলে কৰিম (ছাঃ)ৰ শিক্ষাক পৃথিৱীত বিস্তাৰ লাভ কৰিব পাৰে আৰু আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ সৈতে মিলিত হৈ পৃথিৱীত প্ৰকৃত শান্তিৰ পয়গাম পৌচাব পাৰে।**

এইটো এটা পৃথক বিষয় আৰু বিস্তাৰিত বিষয়।

**এতিয়া মই আঁহজৰত (ছাঃ)ৰ শিক্ষা,তেখেত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হোৱা চৰিয়ত, তেখেত (ছাঃ)ৰ শান্তিমূলক শিক্ষাৰ উদ্ধৃতিত বিশ্ব শান্তিৰ বিষয়ে কিছু কথা বৰ্ণনা কৰিম।**

আঁহজৰত (ছাঃ)ৰ শিক্ষা আৰু তেখেত (ছাঃ)ৰ আদৰ্শ সমূহ ইমান বিস্তৃত যে তাৰ গভীৰতাৰ তত্ত্ব কম সময়ত অৱগত হোৱা সম্ভৱ নহয়;যিদৰে মই কৈছো কিছু কথা বৰ্ণনা কৰিম।

**আহমদীয়া জামাতৰ বিষয়ে কোৱা হয় যে নাউজুবিল্লাহ আমি আঁহজৰত (ছাঃ)ক অবমাননা কৰি তেখেতৰ শিক্ষা উত্থাপন কৰো।**

বাস্তৱতে আমি আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ ওপৰত পৰিচালিত

হৈ তেখেত (ছাঃ)ক ভাল পাওঁ; জামাতৰ লিটাৰেচৰ সমূহে এই কথাৰ সাক্ষী প্ৰদান কৰে। প্ৰত্যেক বছৰ হেজাৰ হেজাৰ পুণ্য প্ৰকৃতি স্বভাৱৰ লোক সকলে এই শিক্ষা আৰু সহানুভূতিক দৃষ্টিগোচৰ হৈ জামাত আহমদীয়াত অন্তৰ্ভুক্ত হয়। আন আন লোক সকলেও এয়া ক'বলৈ বাধ্য যে ইছলামৰ শিক্ষা এনে প্ৰভাৱশালী, সহানুভূতিশীল আৰু শান্তি বিস্তাৰ কৰোঁতা শিক্ষা হয় যে পৃথিৱীত এই শিক্ষাই আজি শান্তি স্থাপন কৰাৰ একমাত্ৰ মাধ্যম হয়।

কিছু দিন আগতে মই বৃটেইনৰ বাৰ্ষিক জলছাত জামাতৰ উন্নতিৰ ৰিপোৰ্টত জলছাত প্ৰভাৱিত হোৱা লোক সকলৰ ঘটনাৱলী বৰ্ণনা কৰিছোঁ যে কেনেকৈ সিহঁতে আহমদী সকলৰ আচাৰ-আচৰণ আৰু জলছাৰ পৰিৱেশ চাই প্ৰভাৱিত হৈছে আৰু সিহঁতে ইছলামৰ শান্তিপূৰ্ণ শিক্ষাৰ বিষয়ে অৱগত হ'ব পাৰিছে। আমাৰ বিৰুদ্ধবাদী সকলে যি ইচ্ছা কৰে কৰক আৰু ভাৱক, আমাৰ কাম হ'ল যদি আমাৰ আঁহজৰত (ছাঃ)ৰ সৈতে প্ৰকৃত ভালপোৱা আছে তেন্তে আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ ওপৰত পৰিচালিত হৈ পৃথিৱীত সেই শিক্ষা বিস্তাৰ কৰিব লাগিব। জগতবাসীক কওঁক যে আজি পৃথিৱীত শান্তি প্ৰতিষ্ঠিত কৰাৰ এয়াই এক সমাধা। গতিকে আহঁক, শান্তিৰ বাৰ্তাবাহকৰ সৈতে সম্পৰ্ক স্থাপন কৰি পৃথিৱীত আৰু পৰকালত নিজৰ ভাৱে শান্তিৰ আহিলা প্ৰস্তুত কৰো। এইবোৰ কেৱল কথিত নহয়, বৰং যেতিয়া আমি ইতিহাসৰ ফালে দৃষ্টি নিক্ষেপ কৰো কেনেকৈ এজন লিখা-পঢ়া নজনা নবীয়ে আৰবৰ অজ্ঞ লোক সকলক এন্ধাৰৰ পৰা উলিয়াই আনি উৰ্ধমূলক চাৰিত্ৰিক,জ্ঞান আৰু কৰ্মৰ মিনাৰলৈ পৌচায় দিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে , সেইজন ৰছুল যিয়ে লোক সকলক পশু স্বভাৱৰ পৰা মানৱলৈ পৰিণত কৰে; আৰু মানৱৰ পৰা চৰিত্ৰবান

মানৱলৈ পৰিণত কৰি সত্য আৰু উন্নত চৰিত্ৰৰ কেন্দ্ৰ বিন্দুলৈ থিয় কৰালে, তাৰ পিছত চৰিত্ৰবান মানৱৰ পৰা খোদা ভীৰু মানৱ হৈ ঐশ্বৰিক ৰঙৰ ৰূপ ধাৰণ কৰিলে। (মজমুআ ইশতিহাৰ খণ্ড দ্বিতীয়,পৃঃ ১৮৩.....মতবুৰা নজাৰত নশৰ ও ইশায়ত কাদিয়ান ২০১৯)

অৰ্থাৎ তেখেত (ছাঃ)য়ে তেখেতৰ অনুসাৰী সকলক আৰু তেখেতৰ প্ৰতি ভালপোৱা সকলক চাৰিত্ৰিক আৰু উপাসনাৰ ক্ষেত্ৰত সেই সমূহ গুণ শিকাইছিল যাৰ ফলত সিহঁতে খোদাৰ নৈকট্যতা লাভ কৰিছিল আৰু প্ৰত্যেক কথন আৰু কৰ্ম খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কৰিছে। খোদা তা'লাৰ নৈকট্য লাভ কৰাৰ কাৰণে ভৃত্য সকলৰ অধিকাৰ আদায় কৰিছে। আঁহজৰত (ছাঃ)ৰ প্ৰতি সত্য হৃদয়ৰ সৈতে কৰা অনুসাৰী সকলক সেই স্থানলৈ লৈ যায় য'ত সিহঁতে খোদা তা'লাৰ সৈতে প্ৰকৃততে ভাল পায় আৰু এই সত্য ভাল পোৱাৰ পৰিণতি অৱশেষত মানুহৰ প্ৰত্যেক কথন আৰু কৰ্মৰ ফলত খোদাৰ নৈকট্যতা লাভ কৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে আঁহজৰত (ছাঃ)ৰ প্ৰকৃত অনুসাৰী সকলৰ বিষয়ে কৈছে যে,

**" আঁহজৰত (ছাঃ)ৰ প্ৰতি নিষ্ঠাৰ সৈতে কৰা অনুসৰণ আৰু সহানুভূতিয়ে মানুহক খোদা তা'লাৰ প্ৰিয় বনাই দিয়ে।"** (ৰুহানি খাজাইন খণ্ড ২২, হাকিকাতুল ওহী পৃঃ ৬৭)

এয়াই বিপ্লৱ আছিল যি আঁহজৰত (ছাঃ)য়ে লোক সকলৰ হৃদয়ত সৃষ্টি কৰি দিছিল যে যিসকলে অংশীবাদিতাত লিপ্ত আছিল সিহঁতে এক খোদাৰ উপাসক হৈ খোদা তা'লাৰ প্ৰিয় হৈ গ'ল। সিহঁতে খোদাক ভাল পালে আৰু খোদা তা'লাই সিহঁতক মৰম কৰিব ধৰিলে। আল্লাহ তা'লাৰ প্ৰতি ভাল পাওঁতা সকলে সঠিক

পদ্ধতিত উপাসনা কৰিব ধৰিলে। আল্লাহ্ তা'লাই অৱতীৰ্ণ কৰা শিক্ষাৰ ওপৰত পৰিচালিত হ'ব ধৰিলে আৰু সেই শিক্ষাৰ মৰ্যাদা প্ৰতিষ্ঠিত কৰিলে।

**যেতিয়া কোনোবাৰ প্ৰতি প্ৰেম সৃষ্টি হয় তেতিয়া সেইজনৰ প্ৰত্যেক কথন, আদেশ নিৰ্দেশৰ ওপৰত আমল (কৰ্ম) কৰাৰ প্ৰয়াস কৰে;** তেওঁৰ প্ৰত্যেক কথা শ্ৰৱণ কৰি সেয়া মান্য কৰাৰ প্ৰয়াস কৰে।

কেৱল মৌখিক দাবী নকৰে। যেতিয়া সিহঁতৰ মাজত খোদা তা'লাৰ প্ৰতি ভাল পোৱা জন্মে, তেতিয়া সিহঁতৰ মাজত খোদা তা'লাৰ সৃষ্টিকুলৰ অধিকাৰ আদায় কৰাৰ প্ৰতিও মনোযোগ আকৰ্ষণ সৃষ্টি হয়। ভৃত্য সকলৰ অধিকাৰ পালন কৰাৰ ক্ষেত্ৰত সিহঁতে এজনে আনজনৰ তুলনাত অগ্ৰগতি লাভ কৰাৰ প্ৰয়াস কৰে। এনে পৰিস্থিতি যেতিয়া হৈ যায়, তেতিয়া পৰস্পৰে পৰস্পৰৰ প্ৰতি সৃষ্টি হোৱা ভাল পোৱা কেৱল আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে হৈ থাকে। আনৰ অধিকাৰ খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে পালন কৰি থাকে। এই মৰ্যাদালৈ যেতিয়া গৈ পায়, তেতিয়া শান্তিৰ ভেঁটি স্থাপন হয়; আৰু শান্তি প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰয়াস কৰি থাকে আৰু তাৰ মৰ্যাদাও প্ৰতিষ্ঠিত হৈ যায়।

**আঁহজৰত (ছাঃ)সেই অস্তিত্ব, যিয়ে আমাক খোদা তা'লাৰ সৈতে সাক্ষাতৰ বাট প্ৰদৰ্শন কৰিছে ; তেখেতৰ ওপৰত অৱতীৰ্ণ হোৱা শিক্ষাৰ ওপৰত পৰিচালিত হৈ পৃথিৱীত শান্তি প্ৰতিষ্ঠিত কৰাৰ এয়াই একমাত্ৰ বাট।**

সদায় স্মৰণ ৰাখিব যে শান্তিৰ ভেঁটি নিজৰ ঘৰৰ পৰাই প্ৰতিষ্ঠিত হয়। তাৰ পিছত পৰিৱেশত,এলেকাত,চহৰত,ৰাষ্ট্ৰত আৰু বহিঃ জাতি সমূহলৈ বিস্তাৰ লাভ কৰে।

**প্ৰত্যেক ক্ষেত্ৰতে যেতিয়া পৰস্পৰে পৰস্পৰৰ অধিকাৰ পালন কৰাৰ প্ৰতি লক্ষ্য ৰাখিব, তেতিয়া শান্তি প্ৰতিষ্ঠিত হ'ব পাৰিব। এই শিক্ষাই আল্লাহ তা'লাই আঁহজৰত (ছাঃ)ৰ মাধ্যমে আমাক প্ৰদান কৰিছে। প্ৰত্যেক পৰ্যায়ৰ মানুহক এই শিক্ষা আঁহজৰত (ছাঃ)য়ে প্ৰদান কৰিছে।**

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিষয় সমূহ বিভিন্ন সময়ত বৰ্ণনা কৰি থাকিছে ; এসময়ত তেখেত (ৰাঃ)য়ে এই বিষয়টোক বয়ান কৰিছে যে,

**"আঁহজৰত (ছাঃ)আৰু বিশ্ব শান্তি"**

তেখেত (ৰাঃ)ৰ এই বিষয়াৱলীৰ পৰা উপকৃত হৈ মইয়ো সেই উদ্ধৃতিৰে কিছু কথা বয়ান কৰিম।

এয়া আমি চাই আছো আৰু বুজি আছো যে শান্তি বৰ গুৰুত্বপূৰ্ণ। শান্তিৰ কথা সমূহ কৈ থাকে, প্ৰত্যেকেই কৈ থাকে যে শান্তি বৰ গুৰুত্বপূৰ্ণ। নিজৰ ঘৰতে শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠিত কৰাৰ ফলতেই আন্তৰ্জাতিক পৰ্যায়ত শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠিত হ'ব পাৰে। সিহঁতে এয়াও ইচ্ছা কৰে যে সকলো পৰ্যায়ত শান্তি প্ৰতিষ্ঠিত হওঁক।

**কেৱল ইচ্ছাই শান্তি প্ৰতিষ্ঠিত কৰিব নোৱাৰে। কাৰণ ইয়াতেও শান্তিৰ ইচ্ছা কেৱল নিজৰ স্বাৰ্থৰ কাৰণে হৈ থাকে আৰু এয়াই আমি পৃথিৱীত দেখিবলৈ পাওঁ।**

যদি স্বাৰ্থ পৰায়ণ নাথাকিলেহেঁতেন তেন্তে কাজিয়া বিবাদ নহলহেঁতেন। সাধাৰণতে যেতিয়া শান্তি আৰু নিৰাপত্তাৰ আলোচনা-বিলোচনা হৈ থাকে, সেয়া কেৱল নিজৰ কাৰণেই হৈ থাকে। যেতিয়া মানুহে দোৱা কৰে আৰু যদি দোৱা নকৰেও তথাপি দোৱা কৰাৰ ইচ্ছুক মূখৰ পৰা প্ৰকাশ কৰে যে আল্লাহ তা'লা মোৰ পৰিয়াল

বৰ্গ আৰু আত্মীয় সকলক নিৰাপত্তাত ৰাখক। অইনৰ প্ৰতি শান্তি আৰু নিৰাপত্তাৰ বাবে এনে ধৰণৰ বেদনা সৃষ্টি নহয় বা মানুহে নিজৰ শান্তিময় জীৱন-যাপন কৰাৰ বাবে সম্পত্তিক বিচাৰে আৰু সেইটোকে প্ৰিয় বুলি ভাৱে। ইয়াৰ অৰ্থ এয়া যে তেওঁ শত্ৰুৰ বাবে সম্পত্তিবান হোৱাটো নিবিচাৰিব, বৰং তেওঁ কেৱল নিজৰ বাবেহে সম্পদবান হ'ব বিচাৰে। যদি সুস্বাস্থ্যক বিচাৰে তাৰ অৰ্থ এয়া যে তেওঁ শত্ৰু সকলৰ বাবে সুস্বাস্থ্য হোৱাটো নিবিচাৰিব। শত্ৰুৰ বাবে এয়া বিচাৰিব যে তেওঁ বিৰল্ আৰু দুৰ্বল যেন হয়, যাতে তেওঁ শত্ৰুৰ ওপৰত প্ৰাধান্যতা লাভ কৰিব পাৰে। এইদৰে মান-সন্মান যদি কোনোবাই বিচাৰে সেয়াও কেৱল নিজৰ বাবে; সকলোৰে বাবে নিবিচাৰে। তেওঁ কেতিয়াও নিবিচাৰিব যে অইনকো সেই মান-সন্মান প্ৰদান হওঁক যি তেওঁক প্ৰদান হৈছে। পৃথিৱীত আমি সাধাৰণ লোক সকল আৰু নেতা সকলৰ মাজত এই দৃশ্যই দেখিবলৈ পাই আছো। ৰাজনীতি কৰা সকলৰ মাজত পৰস্পৰে পৰস্পৰৰ মাজত কাজিয়া বিবাদ আৰু ক্ষমতা প্ৰদৰ্শন কৰি নিজৰ দেশতেই অইনৰ ওপৰত নিৰ্যাতন কৰাৰ দৃশ্য আমি দেখিবলৈ পাই আছো; সেয়া কেৱল ওপৰত উল্লেখ কৰা চিন্তা-ভাৱনাৰ ফলাফল। যদি কেৱল শান্তি আৰু নিৰাপত্তাক বিচাৰে তেন্তে ফিৎনা ফাছাদ কিয় সৃষ্টি হৈ আছে ? তাৰ কাৰণ নিজৰ স্বাৰ্থ পৰায়ণতা। সিহঁতে এই ধৰণৰ শান্তি আৰু নিৰাপত্তাক বিচাৰে, যি কেৱল সিহঁতৰ নিজৰ বাবে, পৰিয়ালৰ বাবে আৰু নিজৰ আত্মীয়-স্বজনৰ বাবে বা সিহঁতৰ নিজৰ জাতিৰ বাবে। অইনৰ বাবে আৰু নিজৰ শত্ৰু সকলৰ বাবে এয়াই বিচাৰে যে শান্তি যেন বিনষ্ট হৈ যায়। যদি এই নীতি অব্যাহত থাকে যে নিজৰ বাবে মৰ্যাদা পৃথক আৰু অইনৰ বাবে পৃথক; তেনে ক্ষেত্ৰত পৃথিৱীত যি শান্তি প্ৰতিষ্ঠিত

হ'ব সেয়া কেৱল নগন্য সংখ্যক লোকৰ শান্তি হ'ব; সমগ্ৰ পৃথিৱীৰ বাবে নহ'ব।

**যদি গোটেই পৃথিৱীৰ বাবে শান্তি প্ৰতিষ্ঠিত কৰিব নিবিচাৰে তেন্তে সেয়া প্ৰকৃত শান্তি বুলি ক'ব পৰা নাযাব। প্ৰকৃত শান্তি তেতিয়াই ক'ব পৰা যাব যেতিয়া নিজৰ, বংশধৰ, জাতি আৰু ৰাষ্ট্ৰ সমূহৰ বাবে শান্তি প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰয়াস কৰিব; এখন কেন্দ্ৰ বিন্দু স্থাপন কৰাৰ বাবে প্ৰয়াস কৰা হ'ব। এয়া তেতিয়াই সম্ভৱ যেতিয়া মানুহে এই কথাক বুজিব পাৰিব যে মোৰ ওপৰত এক মহান অস্তিত্ব আছে যিজনাই কেৱল মোৰ বাবেই শান্তি নিবিচাৰে বৰং গোটেই পৃথিৱীৰ বাবে শান্তি বিচাৰে।**

আঁহজৰত (ছাঃ)ৰ শান্তি মূলক শিক্ষাৰ কেন্দ্ৰ বিন্দুয়ে এই কথাৰ অনুতাপ জগায় যে এজন মহান অস্তিত্বই মোক দৃষ্টি গোচৰ হৈ আছে যাৰ কাৰণে নিজৰ কথন আৰু কাৰ্যকলাপ একেই হ'ব লাগিব।

**সদায় এই নীতিৰ ওপৰত পৰিচালিত হোৱাৰ বাবে আঁহজৰত (ছাঃ)য়ে কৈ যোৱা সেই সুন্দৰ শিক্ষাক সন্মুখত ৰাখিব লাগিব যে নিজৰ বাবে যি পছন্দ কৰা অইনৰ বাবেও সেয়াই পছন্দ কৰিবা।**

গতিকে এই নীতিক সন্মুখত ৰাখি সদায় এয়া ভাৱিব লাগিব যে যদি মই কেৱল নিজৰ বাবে বা নিজৰ জাতিৰ বাবে বা নিজৰ দেশৰ বাবে শান্তি প্ৰতিষ্ঠিত হোৱাটো বিচাৰো তেনে ক্ষেত্ৰত আল্লাহ তা'লাৰ সহায় সাহায্য আৰু সন্তুষ্টি কেতিয়াও অৰ্জন হ'ব নোৱাৰে।

**যেতিয়া এই আকিদাৰ ওপৰত মানুহে স্থিৰ হৈ যায় যে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে সকলো কিছু কৰিব লাগিব, তেতিয়াহে প্ৰকৃত শান্তি প্ৰতিষ্ঠিত হ'ব পাৰিব, নতুবা নহয়।**

গতিকে আল্লাহ তা'লাই আঁহজৰত (ছাঃ)ৰ মাধ্যমে আমাক

اَلْمَلِكُ الْقُدُّوسُ السَّلٰمُ الْمُؤْمِنُ (59:24)

(সাৰ্বভৌমজনা,পৱিত্ৰজনা,শান্তিৰ মূল জনা)ৰ সেইজনা বাদশাহ হয়। পৱিত্ৰ হয় অইনক পৱিত্ৰ কৰে। নিজে প্ৰত্যেক ক্ৰটিৰ পৰা পৱিত্ৰ, অইনক শান্তি প্ৰদান কৰে, সকলোকে নিৰাপত্তা দিওঁতা। এয়া কৈ اَلْمَلِكُ الْقُدُّوسُ السَّلٰمُ الْمُؤْمِنُ মানুহৰ প্ৰতিষ্ঠান সমূহ পৱিত্ৰ কৰে এয়া নিশ্চিত যে যেতিয়ালৈকে প্ৰতিষ্ঠান সমূহ সঠিক নহ'ব তেতিয়ালৈকে কামবোৰ পৱিত্ৰ হ'ব নোৱাৰে। যদি নিয়ত ঠিক নহয় তেন্তে কামত বৰকত কেনেকৈ হ'ব পাৰিব? যেতিয়ালৈকে নিয়ত পৰিষ্কাৰ নহ'ব তেতিয়ালৈকে এই কথা স্মৰণ ৰাখিব যে কাম কেতিয়াও সঠিক পদ্ধতিত হ'ব নোৱাৰিব।

**পৃথিৱীত বৰ্তমান যিমানে যুদ্ধ আৰু বিবাদ হৈ আছে তাৰ কাৰণ এয়া যে মানুহৰ নিয়ত পৰিষ্কাৰ নহয়।**

মানুহে মুখেৰে যি কথাবোৰ কয় সেই অনুযায়ী সিহঁতৰ ইচ্ছুক নহয় আৰু সিহঁতৰ ইচ্ছা অনুযায়ী সিহঁতৰ কথন আৰু কাৰ্যকলাপ নহয়। পৃথিৱীৰ বিকাশ কৰিব বুলি কওঁতা জাতি সকলে এই ফাছাদ সৃষ্টি কৰাত বেছি ভূমিকা পালন কৰিছে। আজি যদিও জগতবাসীয়ে যুদ্ধক বেয়া বুলি কৈ আছে; প্ৰত্যেকজন নেতা সকলৰ বয়ান এয়া যে যুদ্ধ বেয়া তাৰ অৰ্থ কেৱল এয়া যে আমাৰ বিৰুদ্ধে যুদ্ধ কৰাটো বেয়া; যেতিয়া সিহঁতৰ ফালৰ পৰা কোনো যুদ্ধৰ আৰম্ভণী হয় তেতিয়া সেয়া বেয়া নহয়; এই ক্ৰটিৰ কাৰণ এয়া যে সেই সকল লোকৰ দৃষ্টি শান্তি প্ৰতিষ্ঠিত কৰাৰ ফালে নহয়। সিহঁতে ভাৱে যে যেতিয়ালৈকে আমাৰ লাভ আছে আমি শান্তি প্ৰতিষ্ঠিত কৰাৰ ধ্বনি অব্যাহত ৰাখিম; কিন্তু যেতিয়া আমাৰ উপকাৰৰ বিৰুদ্ধে

হ'ব তেতিয়া আমি বিৰোধ কৰিম। আমাৰ শত্ৰুক কোনোবাই সহায় কৰিব আৰু সিহঁতক তৰোৱাল প্ৰদান কৰিব এয়া কোনো পৰ্যায়তে গ্ৰহণযোগ্য নহ'ব। কিন্তু আমি কোনোবাক তৰোৱাল প্ৰদান কৰো সেই সমূহ অত্যাচাৰ কৰাৰ বাবে প্ৰয়োগ নকৰক কিয়, সেয়া বৈধ হ'ব। যদি এনেকুৱাই চিন্তা-চেতনা থাকে তেন্তে কেনেকৈ শান্তি প্ৰতিষ্ঠিত হ'ব পাৰিব?

**গতিকে পৃথিৱীত প্ৰকৃত শান্তি প্ৰতিষ্ঠিত কৰাৰ বাবে এই আকিদাৰ ওপৰত কাৰ্যকৰী হ'ব লাগিব যে পৃথিৱীত এক খোদা আছে যিজনাই সকলো লোক সকলৰ বাবে শান্তিক বিচাৰে।**

যেতিয়া এই আকিদা প্ৰতিষ্ঠিত কৰি তাৰ ওপৰত কাৰ্যকৰী হ'ব তেতিয়াহে মানুহৰ স্বাৰ্থ পৰায়ণতা ত্যাগ হ'ব; আৰু পৃথিৱীত সাধাৰণ উপকাৰ সাধন কৰিবলৈ সক্ষম হ'ব। যেতিয়া এই চিন্তা-ভাৱনা সৃষ্টি হ'ব তেতিয়া শান্তি প্ৰতিষ্ঠিত কৰাৰ বাবে আন আন উন্নতমূলক উপায় সৃষ্টি হ'ব। তেতিয়া আমাৰ এইফালে মনোযোগ আকৰ্ষণ সৃষ্টি নহ'ব যে অমুক বস্তুৰ পৰা আমাৰ উপকাৰ হৈছে নে নাই, বৰং আমি এইফালে মনোযোগ আকৰ্ষণ কৰিম যে গোটেই পৃথিৱীত ইয়াৰ কি প্ৰভাৱ পৰিছে। জগতবাসীয়ে নিজৰ লাভাৰ্থে সদায় অইনৰ শান্তিক বিনষ্ট কৰি থাকে; কিন্তু যিসকলে এই বিশ্বাস স্থাপন কৰে যে এক মহান অস্তিত্ব আছে তেওঁ কেতিয়াও গৌৰৱ নেদেখুৱাব, কাৰণ তেওঁ জানে যে যদি আমি এনেকুৱা কৰো তেন্তে মহান অস্তিত্বই আমাক থেতেলিয়াই পেলাব।

**গতিকে প্ৰকৃত শান্তি তেতিয়ালৈকে প্ৰতিষ্ঠিত হ'ব নোৱাৰে যেতিয়ালৈকে এক মহান অস্তিত্বক স্বীকাৰ কৰা নহয়,** সেইজনাৰ প্ৰতি হৃদয়ত ভালপোৱা সৃষ্টি নহয় আৰু আল্লাহ

তা'লা শান্তি প্ৰদানকাৰী বুলি আকিদা সৃষ্টি নহয়। **এয়া কেৱল ইছলামেই আঁহজৰত (ছাঃ)ৰ মাধ্যমেই উত্থাপন কৰিছে।**

আল্লাহ তা'লাই আঁহজৰত (ছাঃ)ৰ ওপৰত যি শিক্ষা অৱতীৰ্ণ কৰিছে তাতে এয়া কৈছে যে,

قَدْ جَآءَكُم مِّنَ ٱللَّهِ نُورٌ وَكِتَٰبٌ مُّبِينٌ ۝ يَهْدِى بِهِ ٱللَّهُ مَنِ ٱتَّبَعَ رِضْوَٰنَهُۥ سُبُلَ ٱلسَّلَٰمِ (5:16-17)

নিশ্চিত ভাৱে তোমালোকৰ ওচৰত এটা পোহৰ আহিছে আৰু এখন উজ্জ্বল কিতাপ। আল্লাহ তা'লাই সেইটোৰ মাধ্যমে যিসকলে সেইটোৰ অনুসৰণ কৰে সিহঁতক শান্তিৰ বাটলৈ হিদায়ত প্ৰদান কৰে। আল্লাহ তা'লাই হিদায়তৰ জেউতি প্ৰেৰণ কৰিছে,আৰু এখন গ্ৰন্থ সম্পূৰ্ণ আদেশ-নিৰ্দেশৰ সৈতে অৱতীৰ্ণ কৰিছে আৰু তাতে শান্তিৰ বাট লাভ কৰাৰ বাবে সুস্পষ্ট হিদায়তৰ কথাও বয়ান কৰিছে। গতিকে যি সকল লোকে ইয়াক সম্পূৰ্ণ ৰূপে অনুসৰণ কৰিব, সেই সকল লোকেই শান্তিৰ বাট বিচাৰি পাব। আজি মুছলমান সকলৰ মাজত যি অশান্তি বিৰাজমান, পৰস্পৰে পৰস্পৰৰ মাজত যুদ্ধৰ পৰিস্থিতি সৃষ্টি হৈছে তাৰ একমাত্ৰ কাৰণ সিহঁতে আল্লাহ তা'লাই অৱতীৰ্ণ কৰা গ্ৰন্থ আৰু প্ৰকৃত জ্যোতিৰ অনুসৰণ নকৰে। দাবী কৰে যে আমি আঁহজৰত (ছাঃ)ক ভাল পাওঁ, কিন্তু সিহঁতৰ কৰ্ম কথনৰ বিপৰীত। আল্লাহ তা'লাৰ কথন কেতিয়াও ভুল হ'ব নোৱাৰে, আঁহজৰত (ছাঃ)ৰ কথন কেতিয়াও ভুল হ'ব নোৱাৰে।

**মুছলমান সকলৰ মাজত যি ফিৎনা-ফাছাদ সৃষ্টি হৈছে তাৰ কাৰণ এয়া যে আল্লাহ তা'লাই পৱিত্ৰ গ্ৰন্থখনত যি শিক্ষা অৱতীৰ্ণ কৰিছে আৰু সুস্পষ্ট হোৱাৰ দাবী কৰে তাৰ অনুসৰণ নকৰে; তেখেত (ছাঃ)ৰ সৈতে ভাল পোৱাৰ দাবী কৰে কিন্তু**

**তেখেত (ছাঃ)ৰ আদৰ্শ আৰু শিক্ষাৰ ওপৰত কাৰ্যকৰী নহয়।**

গতিকে আজি আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ মান্যকাৰী সকলৰ কাম এয়া যে তেখেত (ছাঃ)ৰ শিক্ষাক নিজৰ জীৱনৰ অংশ বনাই লোৱা। কোৰআন কৰিমৰ নিৰ্দেশাৱলী অনুযায়ী কৰ্ম কৰিব তেতিয়াহে পৰিৱেশত শান্তি প্ৰতিৰ্ষ্ঠিত হ'ব পাৰিব আৰু পৃথিৱীত শান্তিৰ পয়গাম বিস্তাৰ লাভ কৰোঁতা হ'ব পৰা যাব; নতুবা জগতবাসীয়ে ক'ব যে নিজৰ কথন আৰু কৰ্ম একেই কৰা তাৰ পিছত উপদেশ কৰিবা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, এতিয়া আকাশৰ তলত কেৱল এজন নবী আৰু এখন গ্ৰন্থ আছে, অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)যি জন সকলো নবীতকৈ মহান আৰু শ্ৰেষ্ঠ, পৰি-পূৰ্ণতাত সকলো ৰছুলতকৈ পৃথক, খাতামুল আম্বিয়া আৰু লোক সকলৰ মাজত শ্ৰেষ্ঠ, তেখেতৰ অনুসৰণ কৰিহে খোদাক লাভ কৰা যায় আৰু অন্ধকাৰৰ পৰ্দা আঁতৰ হয় আৰু এই পাৰ্থিৱ জগতত প্ৰকৃত মুক্তিৰ প্ৰভাৱ প্ৰকাশিত হয; কোৰআন শ্বৰিফ যি সত্য আৰু পৰিপূৰ্ণ হিদায়ত আৰু প্ৰভাৱশালীৰ অন্তৰ্ভুক্ত যাৰ মাধ্যমে প্ৰকৃত জ্ঞানৰ বাস্তৱতা আহৰণ হয় ; মানৱৰ হৃদয় সেই জ্যোতিৰ দ্বাৰা পৱিত্ৰ হয়; আৰু মানৱ অজ্ঞতা,আলস্যতা, সন্দেহ আৰু শংকাৰ পৰ্দাৰ পৰা মুক্তি লাভ কৰি হাক্কুল ইয়াকিন (তৃপ্তিমূলক বিশ্বাস)ৰ স্থানলৈ গৈ পায়। (ৰুহানি খাজাইন খণ্ড ১, বাৰাহিনে আহমদীয়া পৃঃ ৫৫৭-৫৫৮ টোকাৰ টোকা)

**আল্লাহ তা'লাই হজৰত মহম্মদ (ছাঃ) যিজন আলোক হয়, কোৰআন কৰিম যি উজ্জ্বল কিতাপ, সমূহ জ্ঞানৰ কেন্দ্ৰবিন্দু, হিদায়তৰ জ্যোতি আৰু শান্তিৰ পয়গামক প্ৰেৰণ কৰি মানুহৰ ওপৰত অনেক ডাঙৰ অনুগ্ৰহ কৰিছে। যদি মানুহে**

**তাৰ পৰা উপকৃত নহয় আৰু নিজৰ স্বাৰ্থ পৰায়ণতাৰ চিকাৰ হৈ ধ্বংস হৈ যায় তেন্তে তেওঁতকৈ দুৰ্ভগীয়া আৰু কোনে হ'ব পাৰে?**

যদি পৃথিৱীত আৰু আখিৰতত সুখ বিচাৰে,শান্তি আৰু নিৰাপত্তাত বসবাস কৰিব খোজে, তেন্তে আল্লাহ তা'লাৰ সেই কালাম যি আঁহজৰত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছে সদায় নিজৰ সন্মুখত ৰাখিব লাগিব।

(5:17) يَهْدِي بِهِ اللَّهُ مَنِ اتَّبَعَ رِضْوَانَهُ سُبُلَ السَّلَامِ

এই উজ্জ্বল কিতাপৰ হিদায়ত সদায় নিজৰ সন্মুখত ৰাখিব। এই উজ্জ্বল কিতাপৰ হিদায়ত সমূহক পঢ়িলে আৰু সন্মুখত ৰাখিলে শান্তিৰ বাটত পৰিচালিত হ'ব পাৰিব। এই কিতাপৰ কোনো আদেশ এনেকুৱা নহয় যিয়ে মানুহৰ শান্তিক বিনষ্ট কৰিব। গতিকে

**এই পয়গাম নিজৰ আৰু অইন সকলৰ মাজত বিস্তাৰ লাভ কৰা আমাৰ কাম। আজি জগতখন এই শান্তিৰে জামিন হয়।**

এয়া সেই বিপ্লৱ আছিল যি আঁহজৰত (ছাঃ)য়ে নিজৰ চাহাবা সকলৰ মাজত সৃষ্টি কৰিছিল আৰু কাৰ্য ক্ষেত্ৰত পৰিচালিত হৈ এনেকুৱা জামাত গঢ়ি তুলিছিল

(25:64) اِذَا خَاطَبَهُمُ الْجٰهِلُوْنَ قَالُوْا سَلٰمًا ﴿٦٤﴾

যেতিয়া অজ্ঞ সকলে সিহঁতৰ সৈতে মোকাবিলা কৰে তেতিয়া কয় ছালাম, ইয়াৰ সত্যায়ন কৰিছে আৰু এই অৱস্থা যেতিয়া আমাৰ মাজত সৃষ্টি হৈ যাব,আৰু আমি এই পয়গাম পৃথিৱীত বিস্তাৰ কৰি দিওঁ তেতিয়া আমাৰ বৰ্তমান অৱস্থা শান্তিময় হ'ব আৰু আমাৰ বাবেও চিৰস্থায়ী শান্তি প্ৰতিষ্ঠিত হ'ব পাৰিব।

**হজৰত মছীহ মাওউদ (আঃ)ৰ মান্যকাৰীৰ বাবে এইটো এটা ডাঙৰ কাম হয় যে নিজৰ ঘৰ আৰু নিজৰ পৰিৱেশত শান্তি প্ৰতিষ্ঠিত কৰিব; আৰু জগততেও শান্তি প্ৰতিষ্ঠিত কৰোৱাব।**

এই কাম তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া আমাৰ হৃদয়খন তৌহিদৰে ভৰি পৰিব আৰু জগতখনক প্ৰকৃত তৌহিদৰ ফালে লৈ আনোতা হ'ম।

**এই কথা নিশ্চিত যে পৰিপূৰ্ণ তৌহিদ বিহনে শান্তি প্ৰতিষ্ঠিত হ'বই নোৱাৰে।**

প্ৰথমেও বয়ান কৰা হৈছে যে মহান অস্তিত্বক নিশ্চিত ভাৱে গ্ৰহণ কৰিবই লাগিব; আৰু সেই মহান অস্তিত্ব খোদা তা'লাৰ অস্তিত্ব হয় ; আৰু হৃদয়ত তৌহিদ প্ৰতিৰ্ষ্ঠিত বিহনে শান্তি প্ৰতিষ্ঠাৰ ধাৰণা জন্মিবই নোৱাৰে। যদি তৌহিদ হৃদয়ত প্ৰতিষ্ঠিত নহয় তেন্তে কাজিয়া বিবাদ অব্যাহত থাকিব। কাজিয়া বিবাদ তেতিয়া বন্ধ হ'ব পাৰিব, যেতিয়া প্ৰকৃত ভ্ৰাতৃত্ববন্ধন সৃষ্টি হ'ব,পৰস্পৰে পৰস্পৰৰ প্ৰতি মৰম চেনেহৰ বাতাবৰণ সৃষ্টি হ'ব।

**শান্তি তেতিয়ালৈকে প্ৰতিৰ্ষ্ঠিত হ'ব নোৱাৰিব, যেতিয়া - লৈকে মানুহৰ মাজত প্ৰকৃত ভ্ৰাতৃত্ব বন্ধন সৃষ্টি নহ'ব; আৰু প্ৰকৃত ভ্ৰাতৃত্ব বন্ধন এক খোদাক স্বীকাৰ কৰা বিহনে সৃষ্টি হ'বই নোৱাৰে।**

শান্তি এক খোদাৰ সৈতে সম্পৰ্ক স্থাপন বিহনে প্ৰতিৰ্ষ্ঠিত হ'বই নোৱাৰে, কেৱল স্বীকাৰ কৰিলেই নহ'ব, বৰং এক সম্পৰ্ক গঢ়ি তুলিব লাগিব। শান্তিৰ শিক্ষা আমাক আঁহজৰত (ছাঃ)ৰ মাধ্যমে লাভ হৈছে। আল্লাহ তা'লাই কৈছে,

(1:2) اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۝

ৰ শিক্ষা যেতিয়া কোৰআন কৰিমে আমাক প্ৰদান কৰিছে সেয়া প্ৰত্যেক নামাজত পঢ়াৰ আদেশ আছে যাতে মুছলমান সকলৰ মাজত ভ্ৰাতৃত্ব বন্ধন বিস্তাৰিত ভাৱে প্ৰতিষ্ঠিত হয়; আৰু اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ পঢ়ি খোদা তা'লাৰ প্ৰভুত্ব গোটেই পৃথিৱীত বিস্তাৰিত হোৱাৰ অনুতাপ সৃষ্টি হয়; এই কলিমাবোৰ পঢ়ি মানুহৰ বিচাৰধাৰা বৃদ্ধি পায়, আৰু সেই খোদাৰ প্ৰশংসা কৰে যিজনা সমগ্ৰ পৃথিৱী আৰু ব্ৰহ্মাণ্ডৰ প্ৰতিপালক। যিজনা খ্ৰীষ্টান সকলৰ প্ৰভু,হিন্দু সকলৰ প্ৰভু,ইহুদী সকলৰ প্ৰভু আৰু প্ৰত্যেকৰে প্ৰভু। যেতিয়া এই কলিমাবোৰ মানুহে পঢ়ে তেতিয়া ঘৃণা কেনেকৈ সৃষ্টি হ'ব পাৰিব? এই কথাই যেতিয়া মই আমেৰিকাত অইন লোক সকলৰ এখন বৈঠকত বয়ান কৰিছিলোঁ তেতিয়া সিহঁতে কৈছিল যে এইটো কেনে শিক্ষা! নিশ্চিত ভাৱে ইছলামৰ শিক্ষা এনেকুৱা যে এজন প্ৰকৃত মুছলমানৰ হৃদয়ত অইন লোক সকলৰ প্ৰতি ঘৃণা সৃষ্টি হ'বই নোৱাৰে। رَبِّ الْعٰلَمِيْنَ শব্দাৱলীয়ে সকলোকে ঘেৰি ৰাখিছে; আৰু এই বস্তুৱে শান্তি বিস্তাৰ কৰাৰ বাবে বিস্তাৰিত ভাৱে বাট মুকলি কৰি ৰাখিছে। اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ত কোৱা হৈছে যে,

**যদি প্ৰকৃত তৌহিদ প্ৰতিষ্ঠিত হৈ যায় আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ প্ৰশংসা সদায় মানুহৰ মুখত থাকে, তেতিয়া এয়া সম্ভৱ নহয় যে কোনো জাতিৰ প্ৰতি মানুহৰ হৃদয়ত হিংসা -বিদ্বেষ ভাৱ থাকিব। খ্ৰীষ্টান সকলৰ প্ৰতি, হিন্দু সকলৰ প্ৰতি, ইহুদী সকলৰ প্ৰতি; অৰ্থাৎ কাৰো প্ৰতি হিংসা, বিদ্বেষ-ভাৱ নাথাকিব।**

এয়া কেনেকৈ হ'ব পাৰে যে এফালে সিহঁতৰ ধ্বংস বিচাৰে,

আনফালে আল্লাহ তা'লাৰ প্ৰশংসাও কৰিব; এয়া হ'বই নোৱাৰে। প্ৰকৃত তৌহিদ হ'ল, শান্তিৰ কেন্দ্ৰবিন্দু। মুছলমান সকলে যেতিয়া সঁচাকৈয়ে এই দিশক বুজি পাই নিজৰ জীৱন সেই অনুসৰি কাৰ্য্য ক্ষেত্ৰলৈ পৰিচালিত কৰাৰ প্ৰয়াস কৰিব; তেতিয়া পৃথিৱীত প্ৰকৃত শান্তি স্থাপিত কৰাৰ সিহঁতে প্ৰতীক হৈ পৰিব। কিন্তু তাৰ বাবে **আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ সৈতে সম্পৰ্ক স্থাপন কৰা জৰুৰী, তেতিয়াহে জ্ঞান আৰু সুপৰিচিত হোৱাৰ সঠিক মৰ্ম বুজি পাব।**

আকৌ মই কওঁ যে আমাৰ ওপৰত এই দায়িত্ব অৰ্পিত হয় যে আমি যেন আমাৰ অৱস্থাৰ প্ৰতি পৰ্যালোচনা কৰি থাকো; এনে যেন নহয় যে আমাৰ নামাজত اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۝ পঢ়া কেৱল মুখৰ শব্দাৱলী আৰু হৃদয়ৰ গভীৰতাৰ পৰা খালি। যদি হৃদয় আৰু মস্তিষ্ক এই গভীৰতাৰ পৰা খালি থাকে তেন্তে আমিও ফিৎনা-ফাছাদ সৃষ্টিকাৰী হ'ম। শান্তি বিস্তাৰ কৰোঁতা আৰু আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ অনুসাৰী নহ'ম।

গতিকে গভীৰ চিন্তা-ভাৱনাৰ বিষয়, আজি প্ৰত্যেকজন আহমদীৰ কৰ্তব্য যে পৃথিৱীত প্ৰকৃত শান্তি আৰু নিৰাপত্তা সৃষ্টি কৰাৰ বাবে এক খোদাৰ ওপৰত ঈমান দৃঢ় কৰিব লাগিব। খোদাৰ প্ৰতি এনেকুৱা ভালপোৱা নিজৰ হৃদয়ত স্থান দিব লাগিব যে আন কোনো ভাল পোৱাই সেই স্থান দখল কৰিব নোৱাৰে। সেই আদেশ সমূহৰ ওপৰত পৰিচালিত হোৱাৰ বাবে আঁহজৰত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হোৱা শিক্ষা অৰ্থাৎ কোৰআন কৰিমক নিজৰ জীৱনৰ অংশ বনাব লাগিব। যেতিয়া আমাৰ মৰ্যাদা সেই পৰ্যায়লৈ গৈ পাব যে কোৰআন কৰিমৰ প্ৰত্যেক আদেশ আৰু আঁহজৰত (ছাঃ)ৰ ইৰশাদ সমূহ আমাৰ কথন আৰু কাৰ্য্যত পৰিণত হ'ব;

তেতিয়া আমি পৃথিৱীত সঠিক পয়গাম পৌচাব পাৰিম। এই প্ৰকৃত শান্তিৰ গুণ কেৱল শিক্ষা উত্থাপন কৰি ক'ব নোৱাৰিম, বৰং নিজৰ কৰ্মৰ দ্বাৰা কৰি দেখুৱাম; এয়াই পৃথিৱীত প্ৰকৃত শান্তি স্থাপন কৰাৰ মাধ্যম; আৰু পৃথিৱীত শান্তি স্থাপন কৰাৰ বাবে আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ ওপৰত পৰিচালিত হোৱা জৰুৰী। এই শিক্ষাই হ'ল ইছলামৰ ওপৰত আপত্তিকাৰী সকলৰ মূখ বন্ধ কৰাৰ মাধ্যম।

**আজি এই কাম হজৰত মছীহ মাওউদৰ জামাতৰ অধীনস্থ কৰা হৈছে। যদি আমি ঘৰৰ পৰা লৈ বহিঃজাতিবোৰৰ পৰ্যায়লৈকে এই কাম কৰাৰ বাবে নিজৰ ভূমিকা পালন নকৰো, তেন্তে আমি শান্তি আৰু নিৰাপত্তাত বসবাস কৰাৰ জামিন হ'ব নোৱাৰিম।**

আমাৰ পৰিয়াল বৰ্গক লৈ শান্তিত বসবাস কৰিব নোৱাৰিম। আল্লাহ তা'লা আমাক জগতৰ অন্ধকাৰৰ পৰা উলিয়াই পোহৰৰ ফালে লৈ যোৱাৰ মাধ্যম বনাওঁক। আল্লাহ তা'লা উত্তম ৰূপে আমাক ফৰজ আদায় কৰাৰ সৌভাগ্য দান কৰক।

**এতিয়া আমি দোৱা কৰিম,**

এই দোৱা কৰিব যে আল্লাহ তা'লা জলছাত অংশ গ্ৰহণকাৰীক জলছাৰ কল্যাণৰ ভাগীদাৰী বনাওঁক; আৰু প্ৰত্যেককে হজৰত মছীহ মাওউদ (আঃ)ৰ দোৱাৰ উত্তৰাধিকাৰী বনাওঁক। দুনিয়াৰ পৰিস্থিতি অতি সোনকালে শান্তিলৈ ৰূপান্তৰিত কৰক, যাতে আমি আমাৰ জলছা বিশাল আকাৰে,অতি সৌন্দৰ্য্যপূৰ্ণ ভাৱে প্ৰত্যেক ধৰণৰ উদ্বিগ্নৰ পৰা স্বাধীন হৈ অনুষ্ঠিত কৰিব পাৰো। জলছাক নিজৰ আধ্যাত্মিক উন্নতি কৰাৰ আৰু জ্ঞানৰ পিপাসা নিবাৰণৰ মাধ্যম বনাওঁক। নিজৰ জীৱনক ইছলামী শিক্ষা অনুযায়ী পৰিচালিত হোৱাৰ সামৰ্থ্য শক্তি দান কৰক। আল্লাহ তা'লাৰ প্ৰিয় আৰু ফজল

অৰ্জনকাৰী বনাওঁক। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। দোৱা কৰি লওঁক। (দোৱা)

দোৱাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, জাৰ্মানৰ জলছাৰ উপস্থিতিৰ সংখ্যা শুনি লওঁক তাৰ পিছত ধ্বনি লগাব। জলছাৰ উপস্থিতিৰ মুঠ সংখ্যা ১৯৭৮২ (উন্নিছ হাজাৰ সাত শ বিৰাশী)। যাৰ মাজত মহিলা ৯৪৮২ আৰু পুৰুষ ১০৩০০ ইয়াৰ বাহিৰে যিসকলে আন আন মাধ্যমে বাৰ্ষিক জলছা দেখিছে সিহঁতৰ সংখ্যা ৪০০০০ (চল্লিশ হাজাৰ)ৰ অধিক। এতিয়া আন আন যি প্ৰোগ্ৰাম সমূহ আছে সেয়া কৰক। (আলফজল ইণ্টানেশনাল ২৭ ডিচেম্বৰ ২০২২ পৃঃ ৬-১০)